**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI

**Date :** 24-07-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে **বিকশিত ভাৰতৰ বাজেট** আগবঢ়োৱাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আন্তৰিক শলাগ জ্ঞাপন কৰে। বৈঠকত দুয়োগৰাকীয়ে আনকেতবোৰ গুৰুত্বপূৰ্ণ বিষয়ৰো আলোচনা কৰে। এই সম্পৰ্কত মুখ্যমন্ত্ৰী শৰ্মাই কয় যে, বিত্ত মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় বাজেটত ঘোষণা কৰা ধৰণে বান স্থিতিস্থাপক সবল অৰ্থনীতি গঢ়ি তোলাৰ বাবে ৰাজ্যখনলৈ সকলো ধৰণৰ সহায় সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। তদুপৰি ৰাজ্যত হাইড্ৰকাৰ্বন উদ্যোগৰ পৰা ৰয়েলটি সম্পৰ্কীয় সকলো বিষয় সোনকালে নিষ্পত্তি কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়াৰ কথাও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বৈঠকত মুখ্যমন্ত্ৰগৰাকীয়ে মূলধনী ব্যয়ৰ বাবে ৰাজ্যসমূহলৈ আগবঢ়োৱা বিশেষ সাহায্য আঁচনিৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰি এই আঁচনিখন অধিক শক্তিশালী কৰাৰ বাবে পৰামৰ্শ আগবঢ়ায়। ইফালে মুখ্যমন্ত্ৰী শৰ্মাই কেন্দ্ৰীয় শক্তি, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মনোহৰলাল খট্টৰৰ সৈতে আন এখন বৈঠকত মিলিত হয়। এই বৈঠকত ৰাজ্যৰ সকলো অঞ্চলতে বিদ্যুতৰ উপলব্ধতা সুনিশ্চিত কৰা তথা গ্ৰাহক, বিতৰক আৰু উৎপাদকসকল উপকৃত হোৱাকৈ শক্তি খণ্ডৰ সংস্কাৰৰ দিশসমূহ আলোচনা কৰা হয়। আনহাতে বৈঠকত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ সমীপত ছেটেলাইট টাউনশ্বিপ স্থাপনৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰচেষ্টাক সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰী শৰ্মাই কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপিন্দৰ যাদৱক সাক্ষাৎ কৰি অসম চৰকাৰে ৰাজ্যত পৰিৱেশৰ ভাৰসাম্য ৰক্ষা আৰু বনাঞ্চল বৃদ্ধি কৰাৰ দিশত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে অৱগত কৰে। তদুপৰি জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ লাঘৱ কৰিবলৈ চৰকাৰে নতুনকৈ ঘোষণা কৰা মূল আঁচনিসমূহৰ দ্বাৰা ৰাজ্যখন কিদৰে লাভৱান হ'ব পাৰে সেই বিষয়েও আলোচনা কৰে।

oooooooo

সংসদৰ উভয় সদনতে আজি ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। লোকসভাত এই আলোচনা আৰম্ভ কৰি কংগ্ৰেছ দলৰ সাংসদ কুমাৰী শ্বৈলজাই কয় যে দেশত নিবনুৱা সমস্যা দিনকদিনে বৃদ্ধি পাইছে। তেওঁ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ বিভাগসমূহত খালী থকা পদসমূহ পূৰণ কৰাৰ কিয় ব্যৱস্থা লোৱা নাই বুলি প্ৰশ্ন উত্থাপন কৰে। তদুপৰি এইবাৰৰ বাজেটখনে কৃষক আৰু শ্ৰমিকসকলৰ প্ৰয়োজনক অৱজ্ঞা কৰিছে বুলিও তেওঁ মন্তব্য কৰে। আলোচনাত অংশগ্ৰহণ কৰি বিজেপিৰ বিপ্লৱ কুমাৰ দেৱে কয় যে ২০১৪ চনত বিজেপি শাসনলৈ অহাৰ সময়ত ভাৰত বিশ্বৰ অৰ্থনৈতিকভাৱে দুৰ্বল ৫ খন ৰাষ্ট্ৰৰ ভিতৰত এখন হিচাপে পৰিগণিত আছিল। তেওঁ কয় যে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে অৰ্থনৈতিক ব্যৱস্থাটো স্বচ্ছ কৰি তোলাৰ ফলত এইবাৰৰ অৰ্থনৈতিক জৰীপ অনুসৰি ২০২৪-২৫ বৰ্ষত দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশৰ হাৰ ৬ দশমিক ৫ৰ পৰা ৭ শতাংশলৈ বৃদ্ধিৰ সম্ভাৱনাই দেখা দিছে। তদুপৰি যোৱাবছৰৰ বাজেটৰ তুলনাত এইবাৰৰ বাজেটত ১৮ শতাংশৰো অধিক মূলধনী ব্যয়ৰ প্ৰস্তাৱ দিয়া হৈছে বুলি তেওঁ মন্তব্য কৰে। সমাজবাদী প্ৰাৰ্থীৰ বীৰেন্দ্ৰ সিঙে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে বাজেটত উত্তৰ প্ৰদেশক অৱহেলা কৰিছে বুলি অভিযোগ তোলে। টি এম চিৰ সাংসদ অভিষেক বেনাৰ্জীয়ে নিবনুৱা সমস্যা, বিমুদ্ৰাকৰণৰ উপৰি কেন্দ্ৰীয় সংস্থাসমূহক বিৰোধী দলৰ নেতাৰ বিৰুদ্ধে অপব্যৱহাৰ কৰা বুলি অভিযোগ তোলে।

ৰাজ্যসভাতো আজি কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। আলোচনা আৰম্ভ কৰি কংগ্ৰেছৰ সাংসদ পি চিদাম্বৰমে নিবনুৱা সমস্যা আৰু মুদ্ৰাস্ফীতিৰ প্ৰসংগ উত্থাপন কৰে। তেওঁ কেন্দ্ৰীয় বাজেটত কৰ্ম সংস্থাপনৰ সৈতে জড়িত উদ্গনী আঁচনি ঘোষণা সন্দৰ্ভতো প্ৰশ্ন উত্থাপন কৰে। ইয়াৰ বিপৰীতে বিজেপিৰ ড° ৰাধন মোহন দাস আগৰৱালে বিগত ১০ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ সাফল্যসমূহত আলোকপাত কৰে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা জন-ধন যোজনাই দেশৰ কোটি কোটি লোকক বেংক সেৱা প্ৰদান কৰিছে। তদুপৰি ১৪ কোটিৰো অধিক পৰিয়ালে নলযোগে ঘৰতে বিশুদ্ধ খোৱাপানী লাভ কৰিছে বুলি তেওঁ উল্লেখ কৰে।

ooooooo

উচ্চতম ন্যায়ালয়ে বিচাৰাধীন গোচৰসমূহ নিষ্পত্তিৰ বাবে অহা ২৯ জুলাইৰ পৰা ৩ আগষ্টলৈ লোক আদালতৰ আয়োজন কৰিছে। উচ্চতম ন্যায়ালয়ৰ প্ৰতিষ্ঠাৰ ৭৫ সংখ্যক বৰ্ষ পূৰণ হোৱা উপলক্ষে এই পদক্ষেপ লোৱা হৈছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ে নাগৰিকসকলক সৰ্বোচ্চ ন্যায়ালয়ত বিচাৰাধীন নিজৰ গোচৰসমূহ নিষ্পত্তিৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

ooooooo

ৰাজ্যৰ কৃষি মন্ত্ৰী অতুল বৰাই আজি অসম চৰকাৰৰ কৃষি বিভাগৰ উদ্যোগত আৰু ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণৰ মন্ত্ৰালয়ৰ সহযোগত গুৱাহাটীত অনুষ্ঠিত ডিজিটেল ক্ৰ'প ছাৰ্ভে আৰু ফাৰমাৰ্চ ৰেজেষ্ট্ৰী প্ৰশিক্ষণ তথা কৰ্মশালাৰ উদ্বোধন কৰে। দুদিনীয়া এই প্ৰশিক্ষণ শিবিৰত ৰাজ্যৰ ২৯ খন জিলাৰ ৬৪৯ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে কালি সদনত উত্থাপন কৰা ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত ডিজিটেল পাব্লিক ইনফ্ৰাষ্ট্ৰাকচাৰ সন্দৰ্ভত অগ্ৰাধিকাৰ ভিত্তিক গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াৰ অধীনত অসমৰ লগতে অন্যান্য ৰাজ্যৰ মুঠ ৪০০ খন জিলাত ডিজিটেল ক্ৰ'প ছাৰ্ভেৰ কাম আৰম্ভ কৰাৰ বিষয়ে উল্লেখ কৰা হৈছে। এই উদ্বোধনী অনুষ্ঠানত ৰাজ্য তথা কেন্দ্ৰীয় কৃষি, ৰাজহ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

oooooooo

অসম গণ পৰিষদৰ দলৰ গুৱাহাটীৰ মুখ্য কাৰ্যালয়ত আজি দলৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত সমাগত উপ নিৰ্বাচন, পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি সাংগঠনিক কাম-কাজ আৰু ভৱিষ্যৎ পৰিকল্পনা বিভিন্ন বিষয়ে আলোচনা কৰা হয়। তদুপৰি কাৰ্যনিৰ্বাহক সভাত তৃণমূল পৰ্যায়ত দলৰ সাংগঠনিক ভেঁটি সুদৃঢ় কৰাৰ বাবে ৰণকৌশল ৰচনাৰ বিভিন্ন দিশ সম্পৰ্কতো আলোচনা কৰা হয়। সভাত দলৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতিসকল, সাধাৰণ সম্পাদকসকল, ভাতৃ-ভগ্নী সংগঠন তথা জিলা সমিতি সমূহৰ সভাপতি আৰু সম্পাদকসকল উপস্থিত থাকে। oooooooo **সমাপ্ত**